**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 12-08-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰাক্তন ৰাষ্ট্ৰপতি শ্ৰীৰাম নাথ কোবিন্দৰ আত্মজীৱনী উন্মোচন কৰিব।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি কেৰালাৰ নাম সলনি বিধেয়ক ২০২৬ বিবেচনা আৰু গৃহীতকৰণৰ বাবে ৰাজ্যসভাত উত্থাপন কৰিব।

৩। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে হৰিয়ালী অমাৱস্যা উপলক্ষে আজি নতুন দিল্লীত এটা বৃহৎ গছপুলি ৰোপণ অভিযানৰ আৰম্ভণি কৰিব।

৪। কলম্বিয়াৰ প্ৰলয়ংকাৰী ভূমিকম্পত কমেও ২৫০ জন লোকৰ মৃত্যু হোৱা বুলি অনুমান কৰা হৈছে। ***আৰু***

৫। ১৩৫ সংখ্যক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত দেশৰ প্ৰাক্তন ৰাষ্ট্ৰপতি শ্ৰীৰাম নাথ কোবিন্দৰ আত্মজীৱনী “Triumph of the Indian Republic: My Life, My Struggles” উন্মোচন কৰিব। আত্মজীৱনীখনত প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীৰ ব্যক্তিগত বিৱৰণ দাঙি ধৰা হৈছে। শৈশৱৰে পৰা তেওঁৰ অভিজ্ঞতা, সংগ্ৰাম আৰু সাফল্যৰ লগতে দেশৰ চতুৰ্দশ ৰাষ্ট্ৰপতিৰূপে সেৱা আগবঢ়োৱাৰ বিষয়ে আত্মজীৱনীখনত সন্নিৱিষ্ট কৰা হৈছে। তেওঁ জীৱনক গঢ় দিয়া মূল্যবোধ, অভিজ্ঞতা আৰু পৰিস্থিতিসমূহৰ বিষয়েও গ্ৰন্থখনত সামৰি লোৱা হৈছে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ৰাজ্যসভাত কেৰালাৰ নাম সলনি কৰিবলৈ কেৰালা (নাম সলনি) বিধেয়ক, ২০২৬ বিবেচনা আৰু গৃহীতকৰণৰ বাবে উত্থাপন কৰিব। কালি লোকসভাই বিধেয়কখন গৃহীত কৰিছিল। ৰাজ্যসভাই আজি ৰাষ্ট্ৰীয় সমবায় উন্নয়ন নিগম (সংশোধনী) বিধেয়ক, ২০২৬ বিবেচনা আৰু গৃহীত কৰাৰ বাবেও গ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

লোকসভাত খনি আৰু খনিজ (উন্নয়ন আৰু নিয়ন্ত্ৰণ) সংশোধনী বিধেয়ক, ২০২৬ বিবেচনা আৰু গৃহীত কৰাৰ বাবে উত্থাপন কৰা হ’ব। উল্লেখযোগ্য যে,কালি বিৰোধী পক্ষৰ সদস্যসকলে বিভিন্ন বিষয়ক কেন্দ্ৰ কৰি সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সংসদৰ দুয়োখন সদনৰ কাম-কাজ পুনৰবাৰ ব্যাহত হৈ পৰে। লোকসভাই ৰাষ্ট্ৰীয় সমবায় উন্নয়ন নিগম (সংশোধনী) বিধেয়ক, ২০২৬ আৰু ৰাজ্যসভাই ন্যায়াধিকৰণ সংস্কাৰ বিধেয়ক, ২০২৬ গৃহীত কৰে।

০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে হৰিয়ালী অমাৱস্যা উপলক্ষে আজি নতুন দিল্লীত এটা বৃহৎ গছপুলি ৰোপণ অভিযানৰ আৰম্ভণি কৰিব। শ্ৰীচৌহানৰ এই বৃক্ষ মিত্ৰ অভিযানৰ সৈতে জড়িত দেশৰ সহস্ৰাধিক সদস্যয়েও নিজৰ নিজৰ গাঁও আৰু চহৰসমূহত আজি গছপুলি ৰোপণ কৰিব। আজিৰ দিনটোত দেশৰ বিভিন্ন অঞ্চলত ৫০ হাজাৰতকৈও অধিক গছপুলি ৰোপণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

দেশৰ নাগৰিকসকলৰ প্ৰতি জনোৱা এটা আহ্বানত মন্ত্ৰীগৰাকীয়ে কয়, যে হৰিয়ালী অমাৱস্যা হৈছে এনে এটা উৎসৱ, যিয়ে প্ৰকৃতিৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশৰ সুযোগ প্ৰদান কৰে। নিজৰ চৌপাশক অধিক সেউজীয়া কৰি তুলি এই উৎসৱক প্ৰকৃতিৰ উদযাপনৰ মাধ্যমেৰে পালন কৰিবলৈ তেওঁ জনসাধাৰণক আহ্বান জনায়। তেওঁ কয়, যে প্ৰকৃতিৰ প্ৰতি থকা কৃতজ্ঞতা কেৱল শব্দৰ দ্বাৰা প্ৰকাশ কৰা উচিত নহয়। গছপুলি ৰোপণৰ জৰিয়তেও প্ৰকৃতিৰ প্ৰতি সকলোৱে কৃতজ্ঞতা প্ৰকাশ কৰা উচিত বুলি শ্ৰীচৌহানে প্ৰকাশ কৰে। তেওঁ কয়, যে এটা গছপুলি ৰোপণ কৰাটো কেৱল পৰিৱেশৰ সুৰক্ষাৰ কাম নহয়, বৰং ভৱিষ্যৎ প্ৰজন্মৰ বাবে এটা নিৰাপদ, সুৰক্ষিত আৰু সুন্দৰ ভৱিষ্যতৰ ভেটি স্থাপনৰো উপায়।

…… **বাইট**……..

০০০০০

বাৰিষাৰ বতৰ স্বত্তেও উত্তৰাখণ্ডৰ চাৰি ধাম যাত্ৰাত ভক্তসকলে উৎসাহেৰে ভাগ লৈছে। এই যাত্ৰাৰ দ্বিতীয় পৰ্যায়তো ভক্তসকলে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা গৈ কেদাৰনাথ আৰু বদ্ৰীনাথ ধামত পূজা-অৰ্চনা কৰা কাম অব্যাহত ৰাখিছে। শ্ৰীবদ্ৰীনাথ-কেদাৰনাথ মন্দিৰ সমিতিৰ অধ্যক্ষ হেমন্ত দ্বিৱেদীয়ে প্ৰকাশ কৰা অনুসৰি বৰষুণৰ প্ৰতি লক্ষ্য ৰাখি যাত্ৰীসকলৰ অবিৰত আৰু নিৰাপদ যাত্ৰা নিশ্চিত কৰাৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। উত্তৰাখণ্ডৰ ৪টা প্ৰধান ধৰ্মীয় স্থান কেদাৰনাথ, বদ্ৰীনাথ, গংগোত্ৰি আৰু যমুনোত্ৰিৰ দৰ্শনৰ বাবে কৰা এই চাৰি ধাম যাত্ৰাৰ বুজ লোৱাৰ উদ্দেশ্যে উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামীয়ে কালি ৰাজ্যখনৰ সকলো জিলা দণ্ডাধীশৰ সৈতে ভাৰ্চুৱেল বৈঠক অনুষ্ঠিত কৰে। বৈঠকত বৰষুণৰ ফলত সৃষ্টি হোৱা পৰিস্থিতি, চাৰি ধাম যাত্ৰা, কঁৱাৰ যাত্ৰা, দুৰ্যোগ ব্যৱস্থাপনা, **জন-জন কী চৰকাৰ, জন-জন কে দ্বাৰ** কাৰ্যসূচী আৰু ভক্তসকলে যাত্ৰা কৰা পথসমূহ গাঁতমুক্ত কৰাকে ধৰি বিভিন্ন নিৰ্দেশনা প্ৰদান কৰা হয়। বাৰিষাৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰতিগৰাকী জিলা দণ্ডাধীশক সতৰ্কতা বৃদ্ধি কৰাৰ লগতে দুৰ্যোগ ব্যৱস্থাপনাক সম্পূৰ্ণৰূপে সাজু কৰি ৰাখিবলৈ নিৰ্দেশ দিয়ে। ০০০

০০০০০

কলম্বিয়াত প্ৰচণ্ড ভূমিকম্পত আবদ্ধ লোকসকলক উদ্ধাৰৰ বাবে উদ্ধাৰকাৰী দলে কালি পশ্চিম অংশৰ ধ্বংসস্তূপ খান্দি ধ্বংসাৱশেষৰ মাজত চেপা খাই থকাৰ আশংকা থকা লোকসকলক চিঞৰি সন্ধান উলিওৱাৰ চেষ্টা অব্যাহত ৰাখিছে।এই প্ৰলয়ংকাৰী ভূমিকম্পত কমেও ২৫০ জন লোকৰ মৃত্যু হোৱা বুলি অনুমান কৰা হৈছে ।উল্লেখযোগ্য যে সোমবাৰে পুৱা কলম্বিয়াত সংঘটিত এই শতিকাৰ আটাইতকৈ ভয়াৱহ ভূমিকম্পটোৰ ফলত কফি খেতিৰ বাৱে জনাজাত অঞ্চলটোৰ ভূমিখণ্ড ফালি যোৱাৰ লগতে প্ৰকাণ্ড অট্টালিকা, ঘৰ, বিদ্যালয় আৰু স্বাস্থ্য কেন্দ্ৰসমূহত ফাট মেলে,হেলনীয়া হয় আৰু বহুসংখ্যক খহি পৰে। ভূমিকম্প প্ৰভাৱিত চহৰসমূহৰ পৰা লাভ কৰা পৃথক পৃথক বাতৰি অনুসৰি এই ঘটনাত মুঠ প্ৰাণহানিৰ সংখ্যা ২৫৪। তথ্য অনুসৰি পেৰেইৰাত ১০১ জন আৰু দেশৰ তৃতীয় বৃহত্তম চহৰ কালিত ৯৫ জন লোকৰ মৃত্যু হৈছে। ভূমিকম্পৰ অভিকেন্দ্ৰৰ সমীপৰ প্ৰশান্ত মহাসাগৰীয় বনাঞ্চল এলেকা

চোকোৰ বহু ঠাইত এতিয়াও বিদ্যুৎ যোগান বা প্ৰাথমিক সা-সুবিধাৰ অভাৱত উদ্ধাৰ অভিযান চলোৱাটো জটিল হৈ পৰিছে। দেশখনৰ নতুন ৰাষ্ট্ৰপতি এবেলাৰ্ডো ডি লা এস্প্ৰিয়েলাৰ কাৰ্যভাৰ গ্ৰহণৰ মাত্ৰ কেইদিনমানৰ পিছতে এই ভূমিকম্প সংঘটিত হয়। ৰাষ্ট্ৰপতিগৰাকীয়ে ক্ষতিগ্ৰস্ত অঞ্চলসমূহ ভ্ৰমণ কৰি ভূমিকম্পত গৃহহাৰা লোকসকলক অৰ্থনৈতিক সাহায্যৰ প্ৰতিশ্ৰুতি দিছে।

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ কৰ্মসূত্ৰে সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক আছে আৰু দুয়োগৰাকী নেতাই আলোচনামৰ্মে ৰাছিয়াৰ তেল তথা শুল্ক সম্পৰ্কীয় সমস্যা সমাধান কৰিব বুলি আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ পৰামৰ্শদাতা পিটাৰ নাভাৰোৱে মন্তব্য কৰিছে।ভাৰত আৰু আমেৰিকাই বহুমুখী আৰু বিভিন্ন ক্ষেত্ৰলৈ প্ৰসাৰিত নিকট সম্পৰ্কক আগবঢ়াই নিয়াৰ বাবে প্ৰচেষ্টা চলোৱাৰ সময়তে এই মন্তব্য গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। ইয়াৰ পূৰ্বে ৭ আগষ্টত আমেৰিকাৰ ছিনেটে গৃহীত কৰা দ্বিপাক্ষিক বিধেয়কত ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পক ভাৰত আৰু চীনকে ধৰি ৰাছিয়াৰ তেল আৰু গেছ আমদানি অব্যাহত ৰখা দেশসমূহৰ সামগ্ৰীৰ ওপৰত ১০০% পৰ্যন্ত শুল্ক আৰোপ কৰিবলৈ কৰ্তৃত্ব প্ৰদানৰ প্ৰস্তাৱ দিয়া হৈছিল। এনে বাণিজ্যই মস্কোৰ অৰ্থনীতি বহনক্ষম কৰি ৰখাৰ লগতে ইউক্ৰেইনত সামৰিক অভিযানৰ বাবে পুজিৰ যোগান ধৰে। ছিনেটে ২০২৬ চনৰ লিণ্ডচে অ' গ্ৰেহাম অনুমোদন ৰাছিয়া আৰু ইৰাণ আইনখনক ৩৬-১১ ভোটত অনুমোদন জনায়। এই ব্যৱস্থাসমূহৰ অধীনত  ৰাছিয়াৰ খাৰুৱা তেল বা প্ৰাকৃতিক গেছৰ শীৰ্ষ পাঁচখন ক্ৰেতা ৰাষ্ট্ৰৰ আমদানিৰ ওপৰত ১০০% পৰ্যন্ত শুল্ক আৰোপ কৰাৰ স্বেচ্ছামূলক কৰ্তৃত্ব  আমেৰিকাৰ ৰাষ্ট্ৰপতিক প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে ভাৰত আৰু চীন  ৰাছিয়াৰ পৰা খাৰুৱা তেল ক্ৰয় কৰা বিশ্বৰ অন্যতম ৰাষ্ট্ৰ।

০০০০০

১৩৫ সংখ্যক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। দলটোৱে কালি গুৱাহাটীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-এফ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত এফ চি ৰানক ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। গ্ৰুপ পৰ্যায়ত নৰ্থ ইষ্ট ইউনাইটেডে তিনিখন খেলতে জয়লাভ কৰি শীৰ্ষস্থানত থকাৰ বিপৰীতে প্ৰতিযোগিতাখনত প্ৰথমবাৰৰ বাবে অংশগ্ৰহণ কৰা এফ চি ৰানে তিনিখন খেলৰ পৰা ৩ পইণ্ট অৰ্জন কৰিবলৈ সমৰ্থ হয়।

প্ৰতিযোগিতাত আজি হ'বলগীয়া গ্ৰুপ-ডিৰ এখন গুৰুত্বপূৰ্ণ খেলত NEROCA ফুটবল ক্লাব এফ চি ৰেংডাইৰ মুখামুখি হ'ব। খেলখন বিয়লি ৪ বজাত ইম্ফলৰ খুমান লাম্পাক মেইন ষ্টেডিয়ামত খেলোৱা হ'ব। ইপিনে সন্ধিয়া ৭ বজাত কলকাতাৰ কিশোৰ ভাৰতী ক্ৰীড়াংগণত হ'বলগীয়া গ্ৰুপ-বিৰ এখন খেলত মহমেদান স্পৰ্টিং ক্লাব ইণ্ডিয়ান আৰ্মী ফুটবল টীমৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

নেচনেল বেংক অপেন টেনিছ প্ৰতিযোগিতাত ২০ সংখ্যক বাছনিপ্ৰাপ্ত স্পেইনৰ ১৯ বছৰীয়া খেলুৱৈ ৰাফেল জ'ডাৰে পুৰুষৰ ছিংগলছৰ  ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰতিযোগিতাত যোৱানিশা অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেল পৰ্যায়ৰ এখন খেলত জ'ডাৰে ফ্ৰান্সৰ আৰ্থাৰ ফিলছক ৭-৬ (৫), ৬-৩ ফলাফলত পৰাস্ত কৰে। চলিত বৰ্ষটো ৰেংকিঙত ১৬৮ সংখ্যক স্থানেৰে আৰম্ভ কৰা জ'ডাৰে শেহতীয়াকৈ চকুত লগা প্ৰদৰ্শন কৰাৰ ফলত খেলুৱৈগৰাকীৰ ৰেংকিং ১১ সংখ্যক স্থানলৈ উন্নীত হৈছে।

ছেমি ফাইনেলত কাইলৈ নিশা জ'ডাৰ প্ৰতিযোগিতাত ২৮ সংখ্যক বাছনিপ্ৰাপ্ত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ব্ৰেণ্ডন নাকাচিমাৰ মুখামুখি হ'ব। নাকাচিমাই যোৱানিশা ছেমি ফাইনেল পৰ্যায়ৰ আন এখন খেলত ইটালীৰ লুচিয়ানো ডাৰ্ডেৰিক ৬-২, ৬-৩ ফলাফলত পৰাস্ত কৰে।

ইয়াৰ পূৰ্বে চলিত বৰ্ষৰ কানাডিয়ান অপেন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছত বিশ্বক্ৰমৰ প্ৰাক্তন শীৰ্ষস্থানৰ খেলুৱৈ ইগা শ্বিয়াটেকে ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। ছবাৰকৈ গ্ৰেণ্ডশ্লেম পৰ্যায়ৰ প্ৰতিযোগিতাত বিজয়ীৰ খিতাপ অৰ্জন শ্বিয়াটেকে কোৱাৰ্টাৰ ফাইনেলত ৰাছিয়াৰ ডায়েনা স্নেইডাৰক ৬-২, ৬-১ ফলাফলত পৰাস্ত কৰে। কাইলৈ হ'বলগীয়া ছেমি ফাইনেলত খেলুৱৈগৰাকী ইউক্ৰেইনৰ নৱম বাছনিপ্ৰাপ্ত এলিনা স্বিট'লীনাৰ মুখামুখি হ'ব। স্বিট'লীনাই কোৱাৰ্টাৰ ফাইনেলত ৰাছিয়াৰ একাটেৰিনা আলেকজেণ্ড্ৰ'ভাক ৩-৬, ৬-০, ৬-৩ ফলাফলত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে।

ooooo

সমাপ্ত